গণৰাজ্য দিৱসৰ পেৰেড

# উত্তৰ-পূবৰ দলৰ নেতৃত্বত ড° যুগব্ৰত দাস

নিজা বাতৰি দিওঁতা

গোৱালপাৰা, ২৯ ডিচেম্বৰ ঃ গোৱালপাৰা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যক্ৰম বিষয়া ড° যুগব্ৰত দাসক ৭৪সংখ্যক গণৰাজ্য

৬ পৃষ্ঠাত চাওক

দিৱসৰ নতুন দিল্লীত হ'বলগীয়া পেৰেডত উত্তৰ-পূৰ্বাঞ্চলৰ দলটোক নেতৃত্ব দিয়াৰ বাবে নিৰ্বাচন কৰা হৈছে। আজি এটা বিবৃতিত গোৱালপাৰা মহাবিদ্যালয়ে প্ৰকাশ কৰা অনুসৰি ড° দাসে অসমৰ দলক সফলতাৰে নেতৃত্ব দি কলকাতাৰ কল্যাণী বিশ্ববিদ্যালয়ত যোৱা ১৬ৰপৰা ২৫ নৱেম্বৰলৈ অনুষ্ঠিত প্ৰাক্ গণৰাজ্য দিৱসৰ পেৰেডত অংশগ্ৰহণ কৰাৰ পাছত কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰণালয়ৰ অধীনত নতুন দিল্লীৰ এন এছ এছ সঞ্চালকালয়ে ড° দাসক উত্তৰ-পূৰ্বাঞ্চলৰ দলটোক নেতৃত্ব দিয়াৰ বাবে নিৰ্বাচন কৰে। গোৱালপাৰা মহাবিদ্যালয় তথা জিলাখনলৈ গৌৰৱ কঢ়িওৱা ড° দাসক মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সুভাষ বৰ্মনসহ তেওঁৰ সতীৰ্থসকলে অভিনন্দন জনাইছে। উল্লেখ্য যে উত্তৰ-পূৰ্বাঞ্চলৰ এই দলটোত নিৰ্বাচিত হৈছে মুঠ ১৮গৰাকী স্বেচ্ছাসেৱক য'ত অসমৰ চাৰিগৰাকী স্বেচ্ছাসেৱক থাকিব। গুৱাহাটী বিশ্ববিদ্যালয়ৰ এন এছ এছ কোষৰ অধীনত দুগৰাকী স্বেচ্ছাসেৱকে এই দলত অসমক প্ৰতিনিধিত্ব কৰিব।